হৰিবৰ বিপ্ৰঃ বব্রুবাহন যুদ্ধ



মোহোৰ আগত তাঙ্ক নিন্দিলা আতাই॥৩০৭
ধর্ম্মপথ ছাৰিলাহা মৰিলা আপুনি।
ভালবেসে ভাল মন্দৰেসে মন্দবাণী॥
সুবুদ্ধি নাপালি তই এবে মুণ্ড খালি।
কৃষ্ণ হেন দেৱক স্মৰিবে পাসৰিলি॥৩০৮
জীৱন্তাৰ মৰন্তাৰ গতি নাৰায়ণ।
উপাসিয়ো ক্ষণেক সুমৰ জনার্দ্দন॥
এবে যেন জানস মৰিয়ো এৰো শৰ।
থাকিবেক যশ তোৰ চন্দ্র দিবাকৰ॥৩০৯
ধনু এৰি খানিতেক থাকো বাট চাই।
দেখায়োক তোহোৰ যতেক মুনিষাই॥
খানিতেক থিৰ আজি হুয়োক ৰণত।
মই হেন দোষ এৰে দেৱতাসবত॥৩১০
বব্রুবাহনৰ শৰত অর্জ্জুনৰ শিৰচ্ছেদ
হেনয় বিস্তৰ নিন্দা শুনি ধনঞ্জয়।
কোপ অপমানে গাৱ সকল কম্পয়॥
সুৱর্ণ ৰচিত শৰ যুৰিলা ধনুত।
হাসি হাসি প্রহাৰিলা ৰাজাৰ গাৱত॥৩১১
তথাপিতো বিমুখ নকৰে বব্রুবাহ।
আতিৰঙ্গে যুদ্ধ কৰে পৰম উৎসাহ॥
ৰথতে আছন্ত বব্রুবাহ নৰেশ্বৰ।
অর্জ্জুনৰ শৰে পীড়া কৰয় বিস্তৰ॥৩১২
দশোদিশে নৃপতি ঢাকিলা সমুদায়।
বিস্ময়ে অর্জ্জুন ভৈলা বিহ্বল পৰায়॥
ধনু এৰি মহাকোপে মণিপুৰেশ্বৰ।
গৰুড়মুখীয়া শৰ হানিলা বিস্তৰ॥৩১৩
যত যত শৰমানে অর্জ্জুনে মাৰন্ত।
শৰ হানি বব্রুবাহ বাটতে কাটন্ত॥
কতো শৰ মাৰে কতো বাটতে কাটন্ত।
মাৰন্তে যুৱন্তে ধনঞ্জয় ভৈলা শ্রান্ত॥৩১৪
কেনমতে কোন শৰ মাৰিতে যুৱাই।
সিসব অর্জ্জুনে পাসৰিলা সমুদায়॥
গঙ্গা গোসানীয়ে শাপ দিলন্ত পূর্ব্বত।
অর্জ্জুনৰ মৃত্যু হৌক পুত্রৰ হাতত॥৩১৫
সেই গঙ্গা শাপৰ সময় আসি ভৈলা।
বব্রুবাহ ৰাজা অর্দ্ধচন্দ্র শৰ লৈলা॥
জাজ্বল্য সমান বাহ্র বহ্নি যেন সম।
প্রজা সংহাৰিতে যেন আসি ভৈলা যম॥৩১৬
ইন্দ্র প্রতিমুখ্যে দেৱগণ সমুদায়।
শৰ দেখি কাম্পে সবে স্থিৰ নুহি কায়॥
পিতৃলোক কাম্পয়ে যতেক গ্রহগণ।
স্বর্গলোকো কাম্পে দেখি অর্জ্জুন মৰণ॥৩১৭
সকলো পর্ব্বত কাম্পে শিখৰে নগৰে।
খৰ বায়ু বহে ঘনে ঘনে বজ্র পৰে॥
মেঘসবে বৰিষে ৰুধিব অসংখ্যাত।
ভয় হুয়া বসুমতী মেলি দিলা ফাট॥৩১৮
নদী নদ সাগৰ পর্ব্বত জল স্থল।
অর্জ্জুনৰ মৃত্যু দেখি কৰে টলবল॥
গঙ্গাৰ শাপক কেহো বাধিতে নপাৰি।
তবধে ৰহিলা সিটো থোস মোস কৰি॥৩১৯
অর্জ্জুনে দেখন্ত যুৰি আসে ৰাজ শৰ।
প্রলয়ৰ বহি যেন দেখি ভয়ঙ্কৰ॥
খুৰতো অধিক তীক্ষ্ণ অর্ধচন্দ্র বাণ।
তাক দেখি অর্জ্জুনৰ অন্তৰীক্ষ প্রাণ॥৩২০
অনেক প্রকাৰে শৰ বন্ধন নগৈলা॥
অর্জ্জুনৰ মৃত্যুৰ সময় আসি ভৈলা॥
হেন দেখি অর্জ্জুনেয়ো গুণয় মনত।
নেদেখিলো বাসুদেৱ আপদ কালত ॥৩২১
শয়নে ভোজনে স্নানে সপোনে প্রসঙ্গে।
শিশু ধৰি তুমি আমি বেঢ়ি একসঙ্গে॥
কোনবা অধর্ম্ম ফলে তাঙ্ক হৰুৱাইলো।
অন্ত নাহি যত ভোগ একেলগে কৈলো॥ ৩২২
এক চিত্তমনে মই হৰিক ধিয়াওঁ।
জানো কোনোমতে অপৰাধক এৰাওঁ॥
কতেক জন্মৰ মোৰ আছিল অভাগ্য।
মৰন্তে নপাইলো বন্ধু মাধৱক লাগ॥৩২৩
মাধৱ গোবিন্দ বুলি চেঞ্চান্ত অর্জ্জুনে।
অর্দ্ধচন্দ্র বাণ ৰাজা যুৰিলন্ত গুণে॥
কর্ণমানে ধনু টানি মাৰিলেক ডাটি।
অর্জ্জুনৰ শিৰগোট পেলাইলেক কাটি ॥৩২৪
কমল নয়ন চাৰু দর্শনৰ পান্তি।
দেখিতে শোভয় যেন চন্দ্রমাৰ কান্তি॥
নাল আকুঞ্চিত কেশ কিৰীটি সহিত।
হেন মুণ্ড অর্জ্জুনৰ লোটয় ভূমিত॥৩২৫
যেন মেৰু শৃঙ্গ আসি লোটয় ভূমিত।
আকাশৰ চন্দ্র যেনমতে পৃথিবীত॥
অনেক ৰত্নৰ মালা মুণ্ডত আছয়।
হেন মুণ্ড অর্জ্জুনৰ ভূমিত লোটয়॥৩২৬
ফাল্গুন মাসৰ তিথি শুক্লা ত্রয়োদশী।
দিবা ভাগ থাকন্তে উদয় হোৱে আসি॥
উত্তৰফাল্গুনী নক্ষত্র মঙ্গলবাৰে।
অর্জ্জুনক কাটিলন্ত মণিপুৰেশ্বৰে॥৩২৭
পাচেসে পৰিল গাণ্ডি গিৰিসিত কবি।
গিৰ গিৰ শৱদে লৰিলা বসুন্ধৰী॥

বৃষকেতু অর্জ্জুন পৰিল একেলগে।
জল স্থল পৃথিবী লৰিলা সাতো স্বর্গ॥৩২৮
ভূমিত পৰিলা বৃষকেতু ধনঞ্জয়।
হেন দেখি প্রজা ভৈল আকুল হৃদয়॥
হাহাকাৰ শৱদ শুনিলা চতুর্ভিতি।
দুগোটা ভাস্কৰ যেন লোটয় ভূমিত॥৩২৯
বব্রুবাহৰ জয়ত নগৰত আনন্দ প্রকাশ
ৰণ জিনি বব্রুবাহ নৃপতি প্রচণ্ড।
থানে থানে আসে সবে বায়া বাদ্য ভণ্ড ॥
নৃত্য গীত বাদ্য ভণ্ড বজাইলা বহুত।
নগৰক লাগি পাঞ্চি দিলা চাৰি দূত॥৩৩০
বিলম্ব নকৰি চলিয়োক দূতচয়।
নগৰত কহিবি মোহোৰ ৰণজয়॥
মোহোৰ ৰাজ্যত আছে যত নৰ নাৰী।
ৰঙ্গ ঢঙ্গ কৰন্তোক এদিনাতো কৰি॥৩৩১
বব্রুবাহ ৰাজাৰ কটক আছে যত।
সবে বোলে উপজিলো সমৰ ভূমিত॥
আমাসাৰ নৃপতি বিজয় ভৈলা বুলি।
থানে থানে নাচে প্রজা দণ্ড ছত্র তুলি॥৩৩২
নটে ভাটে তুতি বাণী ৰটয় অশেষ।
সন্ত সাধু বব্রুবাহ নৃপতি বিশেষ॥
অর্জ্জুনৰ সম ধনুর্দ্ধৰ নাহি কেৱ।
তাহাঙ্কো সমৰে কাটিলন্ত নৰদেৱ॥৩৩৩
ৰঙ্গ ঢঙ্গ ৰাজা যত কৰাইলা অপাৰ।
সমদলে আনন্দে নগৰে পয়োসাৰ॥
ৰাজা আসিবাৰ শুনি নগৰীয়া জন।
পদূলি পদূলি সবে লিপিলা চন্দন॥৩৩৪
ফল ফুল জল ৰত্নে ঘটে থৈলা পাতি।
থানে থানে থৈলা তৈতে তৈলে ভৰি বাতি॥
থানে থানে কল ৰুইলা পদূলি পদূলি।
থানে থানে কন্যাগণে পাৰয় উৰুলি॥৩৩৫
কেহো কেহো নাচে কেহো কেহো গীত গাই।
যুৱতী তৰুণীগণ আছে ঠাই ঠাই॥
কেহো কন্যাগণে আগবাঢ়িবাক যায়।
ক্ষীণমধ্য দেহা যেন বতাসে হালয়॥৩৩৬
কতো জনী ধৰি যায় কুঙ্কুমক হাতে।
কতো জনী দধি ঘৃত ধৰি যায় মাথে॥
অনেক সুন্দৰী মত গজৰ গমনী।
স্বর্গ অপেস্বৰা সব আসিল যে হেনি॥৩৩৭
আতিশয় ৰূপ গুণ যৌৱন সম্পূর্ণ।
দৰশনে কামাতুৰ হোৱে মুনিগণ॥
অন্তেষপুৰত হেন শুনি গলাৰাৱ।
মণিপুৰনাথে আসি ভৈল ৰণজয়॥৩৩৮
চিত্রাঙ্গদা উলুপীও নথাকিলা ৰই।
আগবঢ়াইবাক গৈলা কন্যাগণ লই॥
নগৰৰ কন্যাগণ লাগ পাইলা আসি।
চিত্রাঙ্গদা চাই পাচে তুলিলেক হাসি॥৩৩৯
সাফল মনুষ্য তুমি উপজাইলা আই।
যাৰ সম ভাগ্যৱতী ত্রিভুৱনে নাই॥
কোন থানে আসি হৰ-গৌৰী আৰাধিলা।
কোন কর্ম্মফলে বব্রুবাহ পুত্র পাইলা॥৩৪০
এতেকে প্রশংসা কৰে জগতৰ নৰে।
যেন কৃষ্ণ অৱতাৰ দৈৱকীৰ ঘৰে॥
যুধিষ্ঠিৰ ৰাজাৰ কনিষ্ঠ ধনঞ্জয়।
কুন্তীৰ উদৰে জন্ম পাব তনয় ॥৩৪১
সুৰাসুৰ নাগে বলে নোৱাৰিলে যাক।
তযু পুত্র বব্রুবাহে কাটিলেক তাক॥
অর্জ্জুনৰ মৃত্যু-বার্ত্তা শুনি চিত্রাঙ্গদা-উলুপীৰ শোক
তাসম্বাৰ বচন শুনিয়া ৰাজমাৱ।
হা হা প্রভু বুলিয়া কান্দয় দীর্ঘৰাৱ॥৩৪২
মোক এৰি কোন থানে প্রাণনাথ গৈলা।
এহি বুলি দুয়ো নাৰী ভূমিত পৰিলা॥
হৰি হৰি কেনমতে মিলিল প্রমাদ।
ধৰা ধৰি কন্যাগণ কৰয় বিষাদ॥৩৪৩
কেহো জনী ফুঙ্কে কেহো মাথে দেই পানী।
আদা লোণ কেহো জনী মুখে দেই আনি॥
কতো জনী শীতল চামৰ ঘসে গাৱে।
ধীৰ ধীৰ কৰি বিছে বিছনিৰ বাৱে॥৩৪৪
কেহো জনী মুণ্ডে কেহো জনী পাৱে ধৰি।
কান্দে কন্যাগণ সবে আর্ত্তনাদ কৰি॥
উলুপীয়ো কান্দয় হৃদয়ে মুষ্টি হানি।
প্রভুক স্মৰণে মোৰ যাউক প্রাণ খানি॥ ৩৪৫
মৰণ কালত প্রভু আমাক এৰিলা।
হৃদয়ত মুষ্টি হানি ভূমিত পৰিলা॥
উলুপীয়ে চিত্রাঙ্গদা থাকিলেক পৰি।
ৰাজাৰ আগক শীঘ্রে দাসী গৈলা লৰি॥৩৪৬
কৰযোৰ কৰি দাসী নমিলেক মাথ।
শুনিয়োক বার্ত্তা কহো মণিপুৰনাথ॥
তুমি ৰণ জিনিবাৰ আসিলোহো শুনি।
আগবাঢ়িবাক আসে অনেক তৰুণী॥৩৪৭